নিশ্চয় সৰ্বশক্তিমান আল্লাহে তোমালোকক তোমালোকৰ পিতৃপুৰুষৰ শপত খাবলৈ নিষেধ কৰিছে।

ওমৰ ইবনুল খাত্তাব ৰাদ্বিয়াল্লাহু ‘আনহুৰ পৰা বর্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছে: "নিশ্চয় সৰ্বশক্তিমান আল্লাহে তোমালোকক তোমালোকৰ পিতৃপুৰুষৰ শপত খাবলৈ নিষেধ কৰিছে।" ওমৰ ৰাদ্বিয়াল্লাহু আনহুৱে কৈছেঃ আল্লাহৰ শপত, যিদিনা মই ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামৰ পৰা এই হাদীছটো শুনিছোঁ, তেতিয়াৰ পৰা মই কেতিয়াও বাপ-দাদাৰ শপত খোৱা নাই। জানি বুজিও খোৱা নাই আৰু কাৰোবাৰ অনুকৰণতো খোৱা নাই।
[ছহীহ] [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জনাইছে যে, মহান আল্লাহে বাপ-দাদাৰ শপত খাবলৈ নিষেধ কৰিছে। এতেকে শপত খোৱাৰ প্ৰয়োজন হ'লে আল্লাহৰ শপত খাব লাগে। তেওঁৰ বাহিৰে আন কাৰো শপত খোৱা বৈধ নহয়। ইয়াৰ পিছত ওমৰ ৰাদ্বিয়াল্লাহু আনহুৱে কৈছে যে, তেওঁ এই হাদীছটো ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামৰ পৰা শুনাৰ ‎পিছৰ পৰা কেতিয়াও আজুককাৰ শপত খোৱা নাছিল। জানি বুজিও খোৱা নাছিল আৰু আনৰ দেখা দেখিও খোৱা নাছিল। ‎বৰং তেওঁ কেৱল আল্লাহৰ শপতহে খাইছিল।

https://sunnah.global/hadeeth/as/show/2945